

এজন বুদ্ধিয়ক খেতিয়ক আৰু চাৰিটা ঠগ

চ'মা কৌশিক

অনুবাদ

শক্তিৰূপা পৰাশৰ

অলংকৰণ

আৰ্য্য প্ৰহৰাজ

নেহৰু বাল পুস্তকালয়

এজন বুদ্ধিয়ক খেতিয়ক আৰু চাৰিটা ঠগ

চ'মা কৌশিক

অনুবাদ
শক্তিৰূপা পৰাশৰ

অলংকৰণ
আৰ্য্য প্ৰহৰাজ

nbt.india
একঃ সূতে সকলম্
নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া

ISBN 978-81-237-8930-9
প্ৰথম প্ৰকাশ 2019 (*শক* 1941)
© চ'মা কৌশিক
অসমীয়া অনুবাদ © নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া 2016
Original Title : Chalaak Kisan Aur Char Thag (*Hindi*)
Asamiya Title : Ejan Buddhiyak Khetiyak Aru Charita Thag
₹ 55.00
সঞ্চালক নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া
নেহৰু ভৱন, 5, ইনষ্টিটিউছনেল এৰিয়া, ফেজ- II,
বসন্ত কুঞ্জ, নতুন দিল্লী- 110 070, ৰদ্বাৰা প্ৰকাশিত
www.nbtiindia.gov.in

এখন গাঁৱত চাৰিটা ঠগ আছিল। সিহঁতে মানুহক মিছা কাহিনী শুনাই ঠগিছিল আৰু মানুহৰ টকা-পইচা আৰু লগত থকা সৰ্বস্ব লুটি নিছিল। সিহঁতক লৈ গাঁৱৰ মানুহ বৰ অসুখী হৈছিল। বহুতেই সিহঁতক ভাল এটা শিক্ষা দিবলৈ যত্ন কৰিছিল কিন্তু সফল হোৱা নাছিল। সিহঁতে মানুহক মূৰ্খ সজাবলৈ এৰা নাছিল।

সেই গাঁওখনত এজন খেতিয়কো বাস কৰিছিল। তেওঁ ক'লে যে তেওঁ সেই ঠগকেইটাক এনে শিক্ষা দিব যে সিহঁতে মানুহক কেনেকৈ ঠগাব লাগে পাহৰিয়েই যাব।

এদিন খেতিয়কজনে এগৰাকী তিৰোতাৰ জুমুঠি সাজি ধুনীয়া কাপোৰ পিন্ধালে। মানুহজনীক নকল এসোপা গহনাও পিন্ধালে। তাৰ পাছত তেওঁ মানুহজনীৰ মুখখন ওৰণি এখনেৰে ঢাকি দিলে। এইবাৰ তেওঁ মানুহজনীক বাটৰ

ঠগকেইটাই নিতৌ সেই বাটেৰে অহা-যোৱা কৰে। খেতিয়কজন ওচৰৰ গছ এজোপাৰ আঁৰত লুকাই থাকিল। সেইদিনাও সন্ধিয়া পৰত ঠগকেইটা সেই বাটেদি যাওক। সিহঁতে গছ এজোপাৰ গুৰিত তিৰোতাগৰাকীক এসোপা গহনা-গাঁঠৰি পিন্ধি বহি থকা দেখা পালে। সিহঁত আচৰিত হ'ল আৰু তাইৰ ওচৰলৈ কাষ চাপি গ'ল। সিহঁতে তাইক চুব খোজোতেই মানুহজনী ঢলি পৰিল। খেতিয়জন সাউতকৈ লুকাই থকা ঠাইৰপৰা ওলাই আহিল। তেওঁ চিঞৰিবলৈ ধৰিলে, "বচোৰা! বচোৰা!

এই চোৰ চাৰিটাই মোৰ মানুহজনীক মাৰিলে। সিহঁতে তাইৰ গহনা চোৰ কৰিবলৈ লওঁতেই মই দেখিলো। সিহঁতে মোক দেখা পাই মানুহজনীক লগে লগে মাৰি পেলালে।"



মানুহজনে ঠগ এটাক গবামাৰি ধৰি ডাঙৰকৈ কান্দি কান্দি ক'বলৈ ধৰিলে, "মই তোক পুলিচক দিম। তই মোৰ মানুহজনীক মাৰিলি। মই তোক ফাঁচি দিয়াই এৰিম।" ঠগকেইটাই খেতিয়কজনক ঘটনাটো বুজাবলৈ চেষ্টা কৰিলে। কিন্তু মানুহজনে সিহঁতৰ কথালৈ কাণ নিদি চিএওৰিয়েই থাকিল।

চোৰকেইটাই ফাঁচি দিয়াব বুলি শুনি বৰ ভয় খালে। সিহঁতে বাৰে বাৰে তেওঁক বুজাব খুজিলে কিন্তু তেওঁ সিহঁতৰ কথালৈ কাণ নিদি চিঞৰি চিঞৰি ক'বলৈ ধৰিলে। “তহঁত হত্যাকাৰী। মই তহঁতক শুদাই নেৰো।” সিহঁতে অনেক কাকূতি-মিনতি কৰিলে। কিন্তু খেতিয়কজনে হ'লে সিহঁতৰ কথা নুশুনিলে। সিহঁতে উপায় নাপাই সিহঁতৰ ভনীয়েকক তেওঁলৈ বিয়া দিম বুলি ক'লে আৰু খেতিয়কজনক দুগুণ ধন আৰু গহনা দিম বুলি ক'লে। আনকি ঘৈণীয়েকৰ সৎকাৰ কৰাৰ দায়িত্বও লম বুলিও ক'লে। খেতিয়কজন মান্তি হ'ল। তেওঁ প্ৰথমে ঘৈণীয়েকৰ জুমুঠিটো জ্বলাই দিলে যাতে চোৰকেইটাই সঁচা কথাটো গম নাপায়।

ৰাতিপুৱা খেতিয়কজন ঠগ কেইটাৰ ঘৰলৈ গ'ল। তেওঁ সিহঁতৰ ভনীয়েকক বিয়া কৰাই ঘৰলৈ ঘূৰি আহিল লগত ঢেৰ টকা-পইচা আৰু গহনা আনিলে। কিছুদিনৰ পাছত তেওঁ ঘৈণীয়েকক ক'লে যে ঠগ ককায়েককেইটাই যদি তাইক লগ কৰিবলৈ আহে, তাই সিহঁতক তেওঁৰ পথাৰলৈ পঠিয়াই দিয়ে যেন আৰু সেইখিনি সময়তে মানুহজনীয়ে ককায়েকহঁতৰ বাবে চুজি, লুচি, মিঠাই, চিঙৰা আদি সুস্বাদু খাদ্য ৰান্ধে যেন। খেতিয়কজনে পুহিবলৈ দুটা শহাপহু আনি থৈছিল। তাৰে এটা তেওঁ সদায় পথাৰলৈ লৈ যায় আনটো শহা ঘৰত থাকে। এদিন ঠগকেইটাই ভনীয়েক কেনেকৈনো আছে চাবলৈ তাইক দেখা কৰিবলৈ যোৱাৰ কথা ভাবিলে।

এদিন ৰাতিপুৱাই সিহঁত খেতিয়কজনৰ ঘৰ ওলালগৈ। ভনীয়েকে ক'লে যে তাইৰ গিৰীয়েকে পথাৰত কাম কৰি আছে আৰু ককায়েকহঁতে তেওঁক তাতে গৈ লগ ধৰি আহিবগৈ পাৰে।

ঠগকেইটাই পথাৰ পালেগৈ আৰু তেওঁক কাম কৰি থকা দেখি বৰ আনন্দ পালে। খেতিয়কজনে তেওঁলোকক আথে-বেথে মাতি নিলে। তাৰপাছত খেতিয়কজনে শহাটোক কোলাত লৈ ক'লে, "সোণটো, ঘৰলৈ পোনে পোনে যোৱা আৰু মোৰ মানুহজনীক কোৱাগৈ যে তেওঁ তেওঁৰ ককায়েককেইজনৰ বাবে চুজি, লুচি, মিঠাই, পায়স আৰু চিঙৰা ৰান্ধিব লাগে।"

কথাখিনি কৈ তেওঁ শহাটোক এৰি দিলে আৰু শহাটো ওচৰৰ হাবিখনৰ ফালে দৌৰ দিলে। ঠগ চাৰিটা আৰু খেতিয়কজন আবেলি ঘৰলৈ ঘূৰি আহিল। তেওঁলোকে দেখি আচৰিত হ'ল যে, খেতিয়কে শহাটোক কৈ পঠোৱাৰ দৰে ভনীয়েকে আটাইবোৰ জুতিলগা বস্তু ৰান্ধি-বাঢ়ি থৈছে আৰু শহাটো ভনীয়েকৰ কাষতে বহি আছিল। ঠগ চাৰিটাই সকলো দেখি অতিশয় প্ৰভাৱিত হ'ল আৰু সিহঁতে এই আচৰিত শহাপহুটো লগত লৈ যাবলৈ ঠিক কৰিলে। সিহঁতে পথাৰত দেখা পোৱা শহাপহুটো যে ভনীয়েকৰ কাষত বহি থকা শহাটো নহয় সেই কথা জনা নাছিল।

সিহঁতে খেতিয়কজনক শহাটো তেওঁলোকক দিবলৈ অনুৰোধ কৰিলে। প্ৰথমতে খেতিয়জনে অলপ থেৰো-গেৰো কৰিছিল কিন্তু অৱশেষত তেওঁ শহাটো দিবলৈ মান্তি হ'ল। সিহঁতে শহাটো লৈ ঘৰলৈ উভতিল। সিহঁতে ভাবিলে যে এতিয়াৰেপৰা সিহঁত য'লৈকে যাব তালৈকে শহাটো লৈ যাব আৰু যেতিয়াই কিবা প্ৰয়োজন হয় সিহঁতে ঘৰত জনাবলৈ শহাটোক ক'ব। সিহঁতে সপোনতো ভবা নাছিল যে খেতিয়কজনে সিহঁতক মূৰ্খ সজালে।

এবাৰ চাৰিওটা ঠগ এঠাইলৈ গৈ আছিল। বাটত সিহঁতৰ ঘৰলৈ বুলি গৈ থকা কেইজনমান সম্পৰ্কীয় লোক লগ পালে। সিহঁতে ঠিক কৰিলে যে অতিথিসকলৰ বাবে ভাল ভাল খোৱা বস্তু ৰান্ধি থ'ব লাগে বুলি ঘৰৰ মানুহক জনাবলৈ শহাটোক কৈ পঠিয়াব। সিহঁতে শহাটোক ক'লে, "চিধা ঘৰলৈ যা আৰু আমাৰ ঘৈণীকেইজনীক কগৈ যে ঘৰলৈ আলহী আহিছে আৰু আলহীৰ কাৰণে ভাল ভাল খোৱা বস্তু ৰান্ধি থ'ব লাগে।" শহাটো জঁপিয়াই জঁপিয়াই হাবিত সোমালগৈ।

ঠগকেইটা আলহী লৈ ঘৰ পালেগৈ, সিহঁতে দেখিলে যে ঘৈণীয়েকহঁতে দুপৰীয়াৰ আহাৰ খাই শুই আছে। তাকে দেখি সিহঁতৰ খঙে চুলিৰ আগ পালেগৈ। কিন্তু পিছ মুহূৰ্তে সিহঁতে বুজি পালে যে খেতিয়কজনে সিহঁতক ঠগিলে। এতিয়া আৰু কৰিবলৈ একো নাই। যেনে তেনে সিহঁতে আলহীক কিবাকিবি খাবলৈ দিলে। আলহী যোৱাৰ পাছত সিহঁতে ইয়াৰ প্ৰতিশোধ কেনেকৈ ল'ব পাৰি চিন্তা কৰিলে। সিহঁত আকৌ খেতিয়কৰ ঘৰ ওলালগৈ।

ঠগ চাৰিটা আকৌ তেওঁৰ ঘৰ ওলাবহি বুলি খেতিয়জনে জানিছিল আৰু তেওঁ সিহঁতৰ বাবেই বাট চাই আছিল। সিহঁতক অহা দেখি খেতিয়কজনে ঘৈণীয়েকক ক'লে, "তোমাৰ ডেকা ককায়েৰহঁত আহিছে।" সিহঁত আহি পোৱাৰ লগে লগে তুমি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিবা। মই তোমাক এটা কোঠাত বন্ধ কৰি হুলস্থুল কৰিম এনেকৈ যে মই তোমাক যেন মাৰধৰহে কৰিছো।



তাৰপাছত তুমি অচেতন হোৱাৰ ভাও ধৰিবা। মই কাঠৰ লাঠি এডাল তোমাৰ গাৰ ওপৰত ঘূৰাই ঘূৰাই কম “চুং বাতুং চুং বাতুং” কিছু সময়ৰ পাছত তুমি সাৰ পাই উঠিবা।’ ঘৈণীয়েকে সন্মতি দিলে। ঠগকেইটা ঘৰৰ ওচৰ পোৱাৰ লগে লগে ঘৈণীয়েকে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। খেতিয়কজনে ঘৈণীয়েকক কোঠা এটাৰ ভিতৰলৈ টানি নিলে আৰু দুৱাৰখন জপাই লাঠি এডালেৰে বিচনাতে কোবাবলৈ ধৰিলে। ঘৈণীয়েকে আৰু চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে।

যিমান জোৰেৰে খেতিয়কজনে বিচনাত কোবায় সিমানে বেছি মানুহজনীয়ে কান্দিবলৈ ধৰে। কিছুসময়ৰ পাছত কান্দোন বন্ধ হ'ল। ঘৈণীয়েকজনীয়ে মূৰ্চা যোৱাৰ ভাও ধৰিলে। খেতিয়জন বাহিৰলৈ আহি ঠগকেইটাক ক'লে, "মই তোমালোকৰ ভনীয়েৰাক বেহুচ হোৱাকৈ পিটিলো। তাই দিনটো একোকে কাম বন নকৰি আৰাম কৰি বহি আছে। তোমালোকে মন কৰিলে এইক লৈ যাব পাৰা। নহ'লে এদিন মৰিয়াই মৰিয়াই তাইক সিফলীয়া কৰিম।"



বেচেৰা ঠগকেইটাই কি কৰিব একোকে ভাবি নাপালে। সিহঁতে ক'লে, “আজি তাই মূৰ্চা গৈছে। তাই মৰি থকা হ'লে কি হ'লহেঁতেন?” খেতিয়কে ক'লে, “তাই প্ৰায়ে মূৰ্চা যায়। কেতিয়াবা আনকি তাই সিপুৰী পায়গৈ। কিন্তু মই তাইক পুনৰ জীৱন দান দিওঁ। তোমালোকে যদি বিচাৰা, মই তোমালোকৰ সন্মুখতে কৰি দেখুৱাব পাৰো।”



কথাটো শুনি ঠগকেইটা আচৰিত হ'ল, সিহঁতে ক'লে, "হয় কৰি দেখুৱাচোন" খেতিয়কজনে আটাইকেওটাকে কোঠাৰ ভিতৰলৈ মাতি নিলে, তাৰ পাছত লাঠিডাল লৈ তাইৰ গাৰ ওপৰেৰে ঘূৰাই ক'বলৈ ধৰিলে "চুং বাতুং চুং বাতুং" তেওঁ এনেকৈ কেইবাৰমান গোৱাৰ পাছত ঘৈণীয়েকে উঠি বহিল আৰু চকু দুটা মোহাৰিবলৈ ধৰিলে। তাকে দেখি ঠগকেইটাৰ মুখৰ মাত হৰিল। সিহঁতে শহাটোৰ কথা পাহৰি লাঠিডালৰ কথা ভাবিবলৈ ধৰিলে আৰু এই যাদুৰ লাঠিডাল কেনেকৈ হাত কৰিব পাৰি তাকে চিন্তা কৰিবলৈ ধৰিলে। তেওঁলোকে খেতিয়কজনক যাদুৰ লাঠিডাল দিবলৈ খাটনি ধৰিলে।

ঠগকেইটাই বহুত অনুনয়-বিনয় কৰাৰ পাছত খেতিয়কজনে এহেজাৰ টকাত যাদুৰ লাঠিডাল সিহঁতক বেচি দিবলৈ সন্মত হ'ল। সিহঁতে বৰ ৰং পালে। সিহঁতে ঠিক কৰিলে যে ঘৰলৈ গৈ সিহঁতে সিহঁতৰ ঘৈণীয়েক কেইজনীক লাঠিৰে মৰিয়াই মৰিয়াই অচেতন কৰি পুনৰ সুস্থ কৰি তুলিব। সিহঁতে আনক এই কাণ্ড দেখুৱাই বহুত ধন ঘটিব পাৰিব। আনকি সিহঁতে ভাবিলে যে কোনোবা যদি ওচৰ-চুবুৰীয়া মৰেও সিহঁতে লাঠিডালেৰে পুনৰ জীৱন দি নাম-যশ আৰু ধন দুয়োটাই ঘটিব পাৰিব।

কেইদিনমান পাছত সিহঁতৰ এজন ওচৰ-চুবুৰীয়া বেমাৰত পৰি ঢুকাল। ঠগকেইটাই ক'লে যে দুহেজাৰ টকা দিলে সিহঁতে যাদুৰ লাঠিডালেৰে তেওঁক জীয়াই তুলিব পাৰিব। সিহঁত চুবুৰীয়াজনৰ ঘৰলৈ গ'ল, আৰু সিহঁতে যাদুৰ লাঠিডাল লৈ, মৰা মানুহজনৰ ওপৰে ওপৰে ঘূৰাই গাবলৈ ধৰিলে, "চুং বাতুং চুং বাতুং"। কিন্তু মৰা মানুহ আকৌ জী উঠিব পাৰেনে? সিহঁতে বাৰে বাৰে লাঠিডাল ঘূৰাই ঘূৰাই থাকিল কিন্তু কোনো ফল নধৰিলে। চুবুৰীৰ মানুহবোৰৰ খং উঠিল, সিহঁতে ঠগকেইটাক মাধমাৰ শোধাই ক'বলৈ ধৰিলে, "তহঁতে আমাৰ দুখৰ সময়তো আমাক ঠগিবলৈ আহিছ। তহঁতে নিজেই লাজ পোৱা

উচিত।” তেওঁলোকে ঠগকেইটাক দিয়া দুহেজাৰ টকা ঘূৰাই ল’লে। খেতিয়কজনে আকৌ এবাৰ এনেকৈ ঠগকেইটাক মূৰ্খ সজালে।

ঠগকেইটাই খেতিয়কজনক শাস্তি দিবলৈ মন বান্ধিলে, কিন্তু খেতিয়কজনে সিহঁতৰ বাবে আন এটা বুদ্ধি পাঙি থৈছিল। খেতিয়কজনে তেওঁৰ ঘৰৰ সন্মুখত থকা গছ এজোপাত কিছুমান ৰূপৰ মোহৰ আৰি থলে। তেওঁ জানিছিল যে যাদুৰ লাঠিডালে কাম নকৰাৰ পিছত সিহঁত আকৌ আহিব। কেইদিনমান পাছত ঠগকেইটা খেতিয়কজনৰ ওচৰলৈ আহিল। খেতিয়কজন সাজু হৈয়ে আছিল। যেই সিহঁতক তেওঁ অহা দেখিলে, তেওঁ গছজোপা জোকাৰিবলৈ ধৰিলে গছত আৰি থোৱা ৰূপৰ মোহৰবোৰ জন্ জন্কৈ মাটিত পৰিবলৈ ধৰিলে। ঠগকেই টাই খেতিয়কজনক সুধিলে, "তুমি কি কৰিছাহে?"

খেতিয়কজনে ক'লে, "চকুৰে নমনা নেকি তোমালোকে? মই কেইটামান মোহৰ সৰাবলৈ গছজোপা জোকাৰিছো। এইজোপা আচৰিত গছ। যেতিয়াই অভাৱত পৰো তেতিয়াই মই গছজোপা জোকাৰি দিও আৰু গছজোপাৰপৰা থল্ থল্ কৈ মোহৰ সৰি পৰে।"

কথাষাৰ শুনি ঠগকেইটা ইমানেই আচৰিত হ'ল যে যাদুৰ লাঠিডালৰ কথা সিহঁতে পাহৰিয়েই পেলালে। খেতিয়কজনে ক'লে, "তোমালোকে যদি মন কৰা তোমালোকেও গছজোপা জোকাৰি কেইটামান মোহৰ বুটলি নিব পাৰা।"

ঠগকেইটাই গছজোপা জোকাৰিবলৈ ধৰিলে আৰু কি আচৰিত, গছজোপাৰপৰা কেইটামান মোহৰ সৰি পৰিল। ঠগকেইটাই খেতিয়কজনক গছজোপা বিক্ৰী কৰিবলৈ খাটনি ধৰিলে আৰু বিনিময়ত সিহঁতৰ হাতত থকা পাঁচহাজাৰ টকা ল'বলৈ খেতিয়কজনক সৈমান কৰালে। খেতিয়কজনে ক'লে, "তোমালোকে গছজোপা নিব পাৰিবা কিন্তু সাৱধান, গছজোপা অকণো বেঁকা

কৰিব নোৱাৰিবা। গছজোপা বেঁকা কৰা যদি, গছজোপাই আৰু পইচা নিদিয়া হ'ব।"
ঠগকেইটাই গছজোপা যেনেতেনে বেঁকা নকৰাকৈ ঘৰ পোৱালেগৈ; কিন্তু সিহঁতে গছজোপা বেঁকা নকৰাকৈ ভিতৰলৈ লৈ যাব নোৱৰা হ'ল। গতিকে সিহঁতে সীমাৰ পকীবেৰ ভাঙি বাৰীৰ ভিতৰলৈ যেনেতেনে গছজোপা নি বাৰীত পুতি দিলেগৈ। সিহঁতৰ আনন্দৰ সীমা নোহোৱা হ'ল, গছজোপাই সিহঁতক যেতিয়াই লাগে ধন-পইচা দিব।

কেইদিনমান পাছত সিহঁতে গছজোপাৰপৰা পইচা পাৰিবলৈ ঠিক কৰিলে। সিহঁতে গছজোপা বহুত পৰ জোকাৰি জোকাৰি থকাৰ পাছতো টকা সৰি নপৰিল।

তেতিয়াহে সিহঁতে গমপালে যে সিহঁতে আকৌ এবাৰ ঠগ খালে। সিহঁত কেইটাই গোটেই বাটটো কান্দি কাতি খেতিয়জনৰ ঘৰ পালেগৈ। খেতিয়কজনে ক'লে, "তোমালোক চাৰিওটাই গাঁৱৰ বহুত মানুহক ঠগি আহিছা, আৰু তোমালোকক এটা উচিত শিক্ষা দিয়াৰ দৰকাৰ হৈছিল। তোমালোকে যদি গাঁৱৰ ৰাইজক আগলৈ আৰু কাকো নঠগো বুলি শপত খোৱা তেনেহ'লে তোমালোকক মই আৰু আগলৈ আমনি নকৰো।"

ঠগকেইটাই গাঁৱৰ ৰাইজৰ আগত শপত খাই ক'লে যে সিহঁতে আগলৈ আৰু কাকো নঠগে। গাঁৱৰ মানুহে খেতিয়কজনক তেওঁৰ বুদ্ধিৰ কাৰণে নানা তৰহৰ বস্তু উপহাৰ দিলে। তাৰ পাছৰেপৰা গাঁৱৰ মানুহখিনিয়ে শান্তি আৰু আনন্দেৰে দিন কটাবলৈ ধৰিলে।

Laser typeset at Perfect Imagers, Guwahati & Printed at Royal Offset Printers, New Delhi

nbt.india
एकः सूते सकलम्

নেশ্যনেল বুক ট্ৰাষ্ট, ইণ্ডিয়া

₹ 55.00
ISBN 812378930-0
9788123789307
19201449
The Clever Farmer and Four Thugs (Asamiya)